REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 07-10-2023
Time : 18-45 Hrs.

# ASSAMESE EVENING BULLETIN

::::::::::::::::::::::::::::::::

১। বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে স্বীকৃতি প্ৰদান প্ৰক্ৰিয়াৰ অংশ স্বৰূপে ইউনেস্কোৰ বিশেষজ্ঞ প্ৰতিনিধিৰ দল আজি চৰাইদেউ মৈদাম ক্ষেত্ৰত উপস্থিত।

২। ৰাজ্য চৰকাৰৰ ১ লাখ নিযুক্তি প্ৰক্ৰিয়াৰ অংশস্বৰূপে শিক্ষা বিভাগত আজি ৩১৮ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান।

৩। কেন্দ্ৰীয় চৰকাৰৰ চিকিমলৈ ২০২৩-২৪ বৰ্ষৰ বাজেটত NDRF আৰু SDRFৰ বাবে আৱণ্টিত ধন আগতীয়াকৈ মুকলি।

৪। মেৰি মাটি, মেৰা দেশ কাৰ্যসূচীৰ অংশ হিচাপে মাজুলীত আজি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ অংশগ্ৰহণ।

৫। এছিয়ান গেমছত আজি দিনটোৰ শেষত মুঠ ১০৭টা পদকেৰে ভাৰতৰ অভিলেখ। পদক বিজয়ী খেলুৱৈসকললৈ প্ৰধানমন্ত্ৰীৰ অভিনন্দন।

*আৰু*

৬। এদিনীয়া ক্ৰিকেট বিশ্বকাপৰ আজিৰ দ্বিতীয়খন খেলত শ্ৰীলংকাক জয়ৰ বাবে দক্ষিণ আফ্ৰিকাৰ ৪২৯ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

০০০

ইউনেস্কোৰ বিশেষজ্ঞ প্ৰতিনিধিৰ দল আজি ঐতিহাসিক চৰাইদেউ মৈদাম ক্ষেত্ৰত উপস্থিত হৈছে। ইউনেস্কোৰ উত্তৰ-পূৰ এছিয়াৰ বিশেষজ্ঞ প্ৰতিনিধি ছিংগাপুৰৰ **লিম চিং ছিয়াঙৰ** নেতৃত্বত অহা এই বিশেষজ্ঞৰ দলটো বিয়লি চাৰে ৪ বজাত মৈদাম ক্ষেত্ৰত উপস্থিত হয়। উপস্থিত হোৱাৰ পিছতে দলটোক অসমীয়া গামোচা, টাই আহোম জনগোষ্ঠীৰ পৰম্পৰাগত পোছাক চাপকন, আহোম পাগ আৰু এখন হেংদাং প্ৰদান কৰাৰ লগতে বিহু নৃত্য আৰু পৰম্পৰাগত লাই লুং খাম নৃত্যৰে আদৰণি জনোৱা হয়। বিশেষজ্ঞৰ দলটোৱে ৩ দিন মৈদাম ক্ষেত্ৰত তথ্য আৰু সমল সংগ্ৰহৰ লগতে মৈদামৰ ঐতিহাসিক গুৰুত্ব বিচাৰ কৰি প্ৰতিবেদন দাখিল কৰিব। এই প্ৰতিবেদনৰ ওপৰত নিৰ্ভৰ কৰিয়েই চৰাইদেউ মৈদাম ক্ষেত্ৰই ইউনেস্কোৰ বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে স্বীকৃতি পোৱাটো নিৰ্ভৰ কৰিব। উল্লেখযোগ্য যে, পৰহিলৈ বিয়লি পৰ্যন্ত বিশেষজ্ঞৰ দলটোৱে মৈদাম এলেকাৰ বিভিন্ন তথ্য সমল সংগ্ৰহ কৰি ছিংগাপুৰলৈ ৰাওনা হ'ব।

০০০

ৰাজ্য চৰকাৰৰ ১ লাখ নিযুক্তি প্ৰক্ৰিয়াৰ অংশস্বৰূপে আজি ৰাজ্যৰ শিক্ষা বিভাগৰ বিভিন্ন সঞ্চালকালয়ৰ অধীনত ৩১৮ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰে শিক্ষা উপদেষ্টা ননী গোপাল মহন্তকে ধৰি অন্যান্য শিক্ষা বিষয়াসকলৰ উপস্থিতিত গুৱাহাটীৰ মাছখোৱাৰ

সাংস্কৃতিক প্ৰকল্পত প্ৰাৰ্থীসকলক নিযুক্তি পত্ৰ প্ৰদান কৰে। এই নৱনিযুক্ত প্ৰাৰ্থীসকলৰ ভিতৰত ২৪১ গৰাকী দিব্যাংগ প্ৰাৰ্থীয়ে প্ৰাথমিক শিক্ষা বিভাগত, ২৭ গৰাকী প্ৰাৰ্থীয়ে উচ্চ শিক্ষা বিভাগত সহকাৰী অধ্যাপক আৰু অন্যান্য পদত নিযুক্তি লাভ কৰাৰ লগতে আন ৫০ গৰাকী প্ৰাৰ্থীয়ে ৰাজ্যিক, শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ বিভিন্ন পদত নিযুক্তি পত্ৰ লাভ কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি ডাঃ পেগুৱে নৱনিযুক্তি প্ৰাৰ্থীসকলক নিষ্ঠা আৰু সততাৰে দায়িত্ব পালন কৰি দেশ, জাতি আৰু মানৱ সমাজৰ প্ৰতি সেৱা আগবঢ়াবলৈ আহ্বান জনায়। তেখেতে লগতে কয় যে, চৰকাৰে ১ লাখ নিযুক্তিৰ লক্ষ্য পূৰণৰ দিশে অগ্ৰসৰ হৈছে। ভাষণ প্ৰসংগত ডাঃ পেগুৱে শীঘ্ৰেই শিক্ষা বিভাগৰ পুনৰ প্ৰায় ১৩ হাজাৰ চাকৰিৰ বিজ্ঞাপন প্ৰকাশ পাব বুলি উল্লেখ কৰে। ডঃ হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰা দিনৰে পৰা বৰ্তমানলৈকে কেৱল শিক্ষা বিভাগতে ৩০ হাজাৰ ৫৩৫ গৰাকী শিক্ষকে নিযুক্তি পোৱা বুলি মন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে। উল্লেখযোগ্য যে, ৰাজ্য চৰকাৰে চলিত বৰ্ষৰ ৩ ছেপ্তেম্বৰ পৰ্যন্ত ৮৭ হাজাৰ ৪০২ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰিছে।  আজি নৱনিযুক্ত ৩১৮ গৰাকীক প্ৰাৰ্থীক লৈ এই সংখ্যা ৮৭ হাজাৰ ৭২০ গৰাকীলৈ বৃদ্ধি পাইছে।

মন্ত্ৰীগৰাকীয়ে লগতে কয় যে, চৰকাৰে অহা দুবছৰলৈ টেট অনুষ্ঠিত নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেয়েহে নিম্ন আৰু উচ্চ প্ৰাথমিকৰ শিক্ষক পদত চি-টেট উত্তীৰ্ণ প্ৰাৰ্থীসকলেও আৱেদন কৰিব পাৰিব। একেদৰে হাইস্কুল আৰু উচ্চতৰ মাধ্যমিকৰ শিক্ষক পদৰ বাবেও সুকীয়াকৈ টেট অনুষ্ঠিত নহয়। ইয়াৰ পৰিৱৰ্তে চৰকাৰে  বিশেষ নিযুক্তি পৰীক্ষা অনুষ্ঠিত কৰিব। ইয়াৰ ফলত খালী থকা পদৰ অনুপাতেহে প্ৰাৰ্থী উত্তীৰ্ণ হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। আনহাতে শিক্ষা বিভাগত গ্ৰহণ কৰা বিভিন্ন সংস্কাৰমূলক পদক্ষেপৰ সন্দৰ্ভতো মন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে। এই সন্দৰ্ভত ডাঃ পেগুৱে কয় যে, সমগ্ৰ শিক্ষা ব্যৱস্থাটোক ডিজিটেল কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে। ইয়াৰ অংশস্বৰূপে আৰম্ভ কৰা শিক্ষাসেঁতু এপৰ জৰিয়তে বিদ্যালয়ৰ সামগ্ৰীক ব্যৱস্থা, তথ্য আদি নিৰীক্ষণত থাকিব বুলি তেওঁ মত পোষন কৰে।

০০০

কেন্দ্ৰীয় চৰকাৰে বান ক্ষতিগ্ৰস্ত চিকিমত উদ্ধাৰ আৰু সাহায্য বিতৰণ কাৰ্য্য ৰূপায়ণত সহায় হোৱাকৈ ২০২৩-২৪ বৰ্ষৰ বাজেটত এন ডি আৰ এফ, এছ ডি আৰ এফৰ বাবে আৱণ্টিত ধন আগতীয়াকৈ মুকলি কৰি দিছে। কেন্দ্ৰীয় গৃহ পৰিক্ৰমা ৰাজ্যমন্ত্ৰী অজয় কুমাৰ মিশ্ৰই আজি ৰাজ্যখনৰ মুখ্য সচিব, বিভিন্ন বিভাগৰ বিষয়া, সেনা বাহিনী, আই টি বি পি, এন এইচ পি চিকে ধৰি বিভিন্ন বিভাগ আৰু সংস্থাৰ প্ৰতিনিধিৰ সৈতে বৈঠকত এই বিষয়ে প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে, কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনৰ পৰিস্থিতি অহৰহ নিৰিক্ষণ কৰি আছে আৰু পৰ্যাপ্ত সকলো ধৰণৰ সহায় আগবঢ়োৱা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে চিকিমৰ মুখ্যমন্ত্ৰীৰ সৈতে যোগাযোগ ৰক্ষা কৰি থকাৰ লগতে পৰিস্থিতি নিৰিক্ষণত ৰাখিছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে কেন্দ্ৰীয় চৰকাৰে ৫ টা মন্ত্ৰালয়ৰ শীৰ্ষ বিষয়াক লৈ এখন আন্তঃমন্ত্ৰালয় সমিতি গঠন কৰি দিছে। কৃষি, পথ পৰিবহন আৰু ঘাইপথ, জলশক্তি, শক্তি আৰু  বিত্ত মন্ত্ৰালয়ৰ প্ৰতিনিধিৰে গঠিত এই সমিতিখনে কাইলৈ চিকিম ভ্ৰমণ কৰিব। দলটোৱে শীঘ্ৰে ৰাজ্যখনৰ প্ৰভাৱিত অঞ্চলসমূহ পৰিদৰ্শন কৰিব আৰু দলটোৰ মূল্যায়নৰ ভিত্তিত ছিকিমলৈ অতিৰিক্ত কেন্দ্ৰীয় সাহায্য অনুমোদন দিয়া হ'ব। মন্ত্ৰীগৰাকীয়ে আজি চিকিমৰ ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যক ৰাজভৱনত সাক্ষাৎ কৰি ৰাজ্যখনৰ বান পৰিস্থিতিৰ সৈতে জড়িত বিভিন্ন বিষয় আলোচনা কৰে। ইপিনে, ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং টামাঙে আজি মংগন জিলাৰ নগাত দুৰ্যোগ ক্ষতিগ্ৰস্ত

অঞ্চল পৰিদৰ্শন কৰাৰ লগতে প্ৰায় ২০০ জন লোক থকা সাহায্য শিবিৰটো পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে শিবিৰটোত থকা লোকসকলক সম্পূৰ্ণ সমৰ্থন আৰু সহায়ৰ আশ্বাস দিয়ে। তেওঁ লগতে কয় যে জৰুৰী কামত আৰ্থিক সাহায্য প্ৰদানৰ লগতে পথ যোগাযোগ ব্যৱস্থা পুনৰ সূচল কৰাৰ ওপৰত ৰাজ্য চৰকাৰে অগ্ৰাধিকাৰ দিছে।

ইপিনে, চুংথাঙৰ সৈতে পুনৰ সংযোগ স্থাপনৰ বাবে অস্থায়ী দলঙ নিৰ্মাণৰ কাম পূৰ্ণ গতিত চলি আছে। কেন্দ্ৰীয় চৰকাৰে লগতে বান প্ৰভাৱিত ছিকিমলৈ প্ৰায় ৪৫ কোটি টকাৰ দুৰ্যোগ সাহায্য আগবঢ়োৱাৰ প্ৰস্তাৱত অনুমোদন জনাইছে। ৰাজ্যখনত আকস্মিক বানৰ ফলত এতিয়ালৈকে ২ হাজাৰ ৪১৩ গৰাকী লোকক উদ্ধাৰ কৰা হৈছে, ২৭ জন লোকে প্ৰাণ হেৰুৱাইছে আৰু সেনা জোৱান সহ ১৪১ জন লোক এতিয়াও সন্ধানহীন হৈ আছে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে চিকিমত হোৱা বানৰ ফলত ৮ গৰাকী সেনা জোৱানকে ধৰি ২৬ জন লোকে প্ৰাণ হেৰুওৱা ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁ কয় যে, ২৩ গৰাকী সন্ধানহীন সেনা জোৱানৰ ভিতৰত এজনক উদ্ধাৰ কৰা হৈছে। ইপিনে, প্ৰাণ হেৰুওৱা জোৱানকেইজনৰ নশ্বৰ দেহ উদ্ধাৰ কৰা হৈছে বুলি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয় যে দুৰ্গম এলেকাত কৰ্মৰত সাহসী জোৱানসকলৰ এই ত্যাগ চিৰস্মৰণীয় হৈ ৰ'ব। সন্ধানহীন ১৪ গৰাকী জোৱান আৰু অন্য লোকৰ সন্ধানত অভিযান তীব্ৰ কৰি তোলা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০

সামগ্ৰী আৰু সেৱা কৰ অৰ্থাৎ ৫২ সংখ্যক জি এছ্ টি পৰিষদৰ বৈঠকখন আজি বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনৰ অধ্যক্ষতাত নতুন দিল্লীত অনুষ্ঠিত হয়। এই বৈঠকত কেন্দ্ৰীয় বিত্ত ৰাজ্যমন্ত্ৰী পংকজ চৌধুৰীৰ উপৰি ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিত্ত মন্ত্ৰীসকলকে ধৰি কেইবাগৰাকী জ্যেষ্ঠ বিষয়াই অংশগ্ৰহণ কৰে। বৈঠকৰ পাছত সাংবাদিকৰ আগত বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে, এই বৈঠকত জি এছ্ টি আপিল ন্যায়াধীকৰণ, মিলেট আৰু লালি গুৰত জি এছ্ টি আৰোপকৰণকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। তেঁও কয় যে জি এছ্ টি পৰিষদে কুহিয়াৰ কৃষককলক উপকৃত কৰিব পৰাকৈ গুৰৰ ওপৰত জি এছ্ টি পূৰ্বৰ ২৮ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰাৰ সিদ্ধান্ত লৈছে। আনহাতে, ৭০ শতাংশ মিলেট থকা আটাত পেকেজিঙৰ পূৰ্বে ক্ৰয় কৰিলে কোনো ধৰণৰ জি এছ্ টি দিব নালাগিব বুলি সিদ্ধান্ত লোৱা হৈছে। আনহাতে, পেকেজিং আৰু লেবেল লগোৱাৰ পাছত ৫ শতাংশ জি এছ্ টি আৰোপ কৰা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। ইপিনে, জি এছ্ টি আপিল ন্যায়াধীকৰণৰ সংশোধনীৰ বিষয়ে উল্লেখ কৰি তেঁও কয় যে, অধ্যক্ষৰ বয়সৰ উচ্চ সীমা ৭০ বছৰলৈ আৰু সদস্যসকলৰ বয়সৰ সীমা ৬৭ বছৰলৈ বৃদ্ধি কৰা হৈছে।

০০০

কেন্দ্ৰীয় আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মাজুলিৰ শ্ৰীৰাম চাপৰিত দেৰোত্তৰত ৰাষ্ট্ৰীয় আয়ুষ অভিযানৰ অধীনত স্থাপন কৰা ৰাজ্যৰ দ্বিতীয়খন আয়ুৰ্বেদিক চিকিৎসালয় উদ্বোধন কৰে। ৫০ খন বিচনাযুক্ত এই চিকিৎসালয়খনে অঞ্চলবাসীক উপকৃত কৰিব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। এই অনুষ্ঠানত সাংসদ তপন কুমাৰ গগৈ, প্ৰদান বৰুৱা, বিধায়ক নৱ কুমাৰ দলে আৰু ভূৱন গামকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০

ভাৰতীয় মান ব্যুৰোৰ গুৱাহাটী আঞ্চলিক কাৰ্যালয়ৰ উদ্যোগত আৰু এন ই এ আই ডিৰ সহযোগত আজি শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ত সজাগতামূলক অনুষ্ঠানৰ আয়োজন কৰা হয়। কেইবাখনো মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই অনুষ্ঠানত যিকোনো সামগ্ৰীৰ মান নিৰূপনৰ প্ৰণালী, গ্ৰাহকৰ কৰ্তব্য আৰু সুৰক্ষা তথা আনুসংগিক বিভিন্ন বিষয়ত বিতংকৈ আলোকপাত কৰা হয়। ইয়াৰ পাছত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এলানি পোষ্টাৰ, শ্লোগান লিখন প্ৰতিযোগিতা আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়।

০০০

মেৰি মাটি মেৰা দেশ কাৰ্যসূচীৰ অংশ হিচাপে আজি উজনি মাজুলি উন্নয়ন খণ্ডত আয়োজিত অমৃত কলহ যাত্ৰাৰ দ্বিতীয় পৰ্যায়ৰ অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ, জলপথ আৰু আয়ুষ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে। অনুষ্ঠানত সাংসদ তপন কুমাৰ গগৈ, প্ৰদান বৰুৱা, বিধায়ক নৱ কুমাৰ দলে আৰু ভূৱন গামেও অংশ লয়। ইপিনে, মৰিগাও জিলাৰ মানিপুৰ গাঁও পঞ্চায়তত আজি বহু লোকে অমৃত কলহ যাত্ৰাত অংশ লয়। যমুনামুখ সমষ্টিৰ ভেৰোগুৰি পঞ্চায়তৰ উদ্যোগতো আজি অমৃত কলহ যাত্ৰাৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষে ৰাইজৰ পৰা সংগ্ৰহ কৰা মাটি পঞ্চায়ত কাৰ্যালয়ৰ কলহত জমা কৰা হয়। এই উপলক্ষে চাহ জনগোষ্ঠীয় যুৱতীসকলে ঝুমুৰ নৃত্যৰে সকলোকে আকৰ্ষণ কৰে।

গুৱাহাটী মহানগৰীতো কাইলৈ মেৰি মাটি মেৰা দেশ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। কাইলৈ দিনৰ ১০ বজাত লতাশিল খেলপথাৰৰ পৰা উজানবজাৰৰ গুৱাহাটী পৌৰ নিগমৰ কাৰ্যালয়লৈ এই উপলক্ষে শোভাযাত্ৰা উলিওৱা হ'ব। পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই প্ৰকাশ কৰা মতে, মহানগৰীৰ ৬০ টা ৱাৰ্ডৰ পৰা সংগ্ৰহ কৰা মাটি পৌৰ নিগমৰ কাৰ্যালয়লৈ শোভাযাত্ৰা কৰি লৈ যোৱা হ'ব।

০০০

অসম শক্তি বিতৰণ কোম্পানীৰ বঙাইগাঁও জিলাৰ দ্বিতীয় বৈদ্যুতিক উপ সংমণ্ডলে কাইলৈ অঞ্চলটোত বিদ্যুৎ যোগান ব্যাহত থাকিব বুলি জাননী জাৰি কৰিছে। এই সন্দৰ্ভত মহকুমা অভিযন্তাই জানিবলৈ দিয়া অনুসৰি কাইলৈ কাজলগাঁও আৰু শাথাইবাৰী অঞ্চলত ৩৩ কিলো ভল্ট ফিডাৰৰ মেৰামতিৰ কাম কৰা হ'ব। সেয়েহে অঞ্চলটোত পুৱা ৬ বজাৰ পৰা ৰাতিপুৱা ৯ বজালৈকে  ৩ ঘণ্টাৰ বাবে বিদ্যুৎ যোগান বন্ধ থাকিব।

০০০

নলবাৰী নাট্য মন্দিৰত কালিৰে পৰা ৰংগশালা অসমৰ উদ্যোগত ৩ দিনীয়া জোনাকী কাৰেঙ নাট উৎসৱ অনুষ্ঠিত হৈছে। নৱম বাৰ্ষিক নাট উৎসৱৰ আজি দ্বিতীয় দিনা সন্ধিয়া ৭ বজাত নয়ন প্ৰসাদ পৰিচালিত ইনলী ফাউণ্ডেছনৰ নাট তদন্ত মঞ্চস্থ কৰা হ'ব। জে বি প্ৰিষ্টলীৰ এন ইন্সপেক্টৰ কলচৰ আধাৰত এই নাটখনৰ অসমীয়া অভিযোজনা ড০ ভৱেন্দ্ৰ নাথ শইকীয়াৰ।

০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ আজি নিশা ৮ বজাৰ দৃষ্টিপাত অনুষ্ঠানত ডিজিটীয় সুৰক্ষা আৰু নিৰাপত্তা সন্দৰ্ভত আলোচনা কৰা হব। অনুষ্ঠানত গণমাধ্যম বিশেষজ্ঞ চলিক খান  অতিথি হিচাপে উপস্থিত থাকিব।

অনুষ্ঠানটিৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০

গোলাঘাট জিলাৰ মেৰাপানী ৰাজহুৱা খেলপথাৰত আজিৰে  পৰা ৯ দিনীয়া কাৰ্যসূচীৰে মেৰাপানী গ্ৰন্থমেলা আৰু সাহিত্য উৎসৱ ২০২৩ অনুষ্ঠিত হৈছে। দৈয়াং শাখা সাহিত্য সভাৰ উদ্যোগত আৰু বিভিন্ন দল সংগঠনৰ সহযোগত অসম-নাগালেণ্ড সীমান্তৰ মেৰাপানীত প্ৰথমবাৰৰ বাবে এই উৎসৱ অনুষ্ঠিত হৈছে। গ্ৰন্থমেলাত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ভালেসংখ্যক গ্ৰন্থ বিপনী মুকলি কৰা হৈছে। কাইলৈ গ্ৰন্থ উন্মোচনী অনুষ্ঠানত কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

০০০

শিৱসাগৰ জিলাৰ নাজিৰাৰ গেলেকীৰ বৃহত্তৰ অঞ্চল কৃত্ৰিম বানৰ কবলত পৰিছে। গেলেকী পশু চিকিৎসালয়ৰ উপৰি গেলেকী থানা আৰু অন্যান্য কাষৰীয়া অঞ্চল বানত বুৰ গৈছে। ক্ষতিগ্ৰস্ত লোকসকলে গেলেকী প্ৰাথমিক বিদ্যালয়ত আশ্ৰয় লৈছে বুলি জানিব পৰা গৈছে।

০০০

লখিমপুৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি অতিৰিক্ত জিলা আয়ুক্ত মিনাক্ষী পেৰমেৰৰ সভাপতিত্বত মিছন ইন্দ্ৰধনুছৰ পঞ্চম সংস্কৰণৰ এখন সভা অনুষ্ঠিত হয়। সভাখনত মিছন ইন্দ্ৰধনুছৰ অধীনত জিলাখনত টীকাকৰণ কৰিবলগীয়া শিশু আৰু গৰ্ভৱতী মহিলাৰ সঠিক হিচাপৰ লগতে চাহ বাগিচা তথা স্পৰ্শকাতৰ আৰু দুৰ্গম এলেকাসমূহক টীকাকৰণৰ ক্ষেত্ৰত ল'বলগীয়া ব্যৱস্থা আদি বিভিন্ন বিষয়ৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰা হয়। সভাত জিলাৰ প্ৰতিষেধক বিষয়া ডাঃ ভাৰতী গগৈয়ে মিছন ইন্দ্ৰধনুছৰ এই পঞ্চম সংস্কৰণৰ অধীনত উপযুক্ত কোনো শিশু আৰু গৰ্ভৱতী মহিলা যাতে টীকাকৰণৰ পৰা বাদ নপৰে তাৰবাবে সংশ্লিষ্ট সকলো বিভাগকে সন্মিলিতভাৱে দায়বদ্ধতাৰে প্ৰচেষ্টা আগবঢ়াবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে, পৰহিলৈৰ পৰা অহা ১৪ অক্টোবৰলৈকে হ'বলগা এই মিছন ইন্দ্ৰধনুছৰ পঞ্চম সংস্কৰণত ১২টাকৈ বিপদজনক ৰোগৰ টীকাকৰণ কৰা হ'ব।

০০০

চীনৰ হাংঝৌত অনুষ্ঠিত এছিয়ান গেমছত ভাৰতে ২৮ টা সোণ, ৩৮ টা ৰূপ আৰু ৪১ টা ব্ৰঞ্জসহ মুঠ ১০৭ টা পদক লাভ কৰি অভিলেখ গঢ়িবলৈ সমৰ্থ হৈছে। শেহতীয়াকৈ পুৰুষৰ কাবাডী দলে আফগানিস্তানৰ বিৰুদ্ধে খেলখন বৰষুণৰ বাবে বাতিল হোৱাৰ পাছত স্বৰ্ণ পদক অৰ্জন কৰে। আনহাতে, মল্লযুঁজত দিপক পুনিয়াই পুৰুষৰ ৮৬ কিলোগ্ৰাম ফ্ৰিষ্টাইল শাখাত ৰূপৰ পদক অৰ্জন কৰিছে। পুৰুষৰ বেডমিণ্টনৰ ডাবলছত ভাৰতৰ চিৰাগ চেট্টী আৰু সত্তিক সাইৰাজ ৰনকি ৰেড্ডীৰ যুটীটোৱে সোণৰ পদক অৰ্জন কৰিছে। এছিয়াডত বেডমিণ্টনত এয়া ভাৰতৰ প্ৰথম সোণৰ পদক। ফাইনেলত আজি যুটীটোৱে দক্ষিণ কোৰিয়াৰ প্ৰতিযোগীক ২১-১৮, ২১-১৬ ৰ ব্যৱধানত পৰাজিত কৰে। ভাৰতৰ পুৰুষ আৰু মহিলাৰ ডবা দল দুটাই ৰূপৰ পদক অৰ্জন কৰিছে।

ইপিনে, ভাৰতৰ মহিলা কাবাদী দলে সোণ আৰু পুৰুষৰ কম্পাউণ্ড আৰ্চাৰী দলে আজি ৰূপৰ পদক লাভ কৰে। দেশৰ হৈ ১০০ সংখ্যক পদকটো মহিলা কাবাদী দলে লাভ কৰে। ফাইনেলত ভাৰতীয় দলটোৱে চীনা টাইপেক ২৬-২৫ৰ ব্যৱধানত পৰাভূত কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ঐতিহাসিক জয়ৰ বাবে কাবাদী দলটোক অভিনন্দন জনাইছে। তেওঁ লগতে কয় যে, এই জয়ে দেশৰ মহিলা এথলীটসকলৰ অদমনীয় শক্তিক প্ৰতিপন্ন কৰিলে।

পুৰুষৰ ব্যক্তিগত কম্পাউণ্ড আৰ্চাৰীৰ ফাইনেলত অ'জাছ্ ডেওতালে সোণ আৰু অভিষেক বাৰ্মাই ৰূপৰ পদক লাভ কৰে। নিচেই পুৱাতে ভাৰতে মহিলাৰ ব্যক্তিগত শাখাৰ কম্পাউণ্ড আৰ্চাৰীত সোণ আৰু ৰূপৰ পদক লাভ কৰে। জ্যোতি সুৰেখা ভেনমে দক্ষিণ কোৰিয়াৰ ছিউৱন ছ'ক পৰাজিত কৰি সোণৰ পদক হস্তগত কৰে। আনহাতে অদিতি গোপীছান্দ স্বামীয়ে এই শাখাত ব্ৰঞ্জৰ পদক লাভ কৰে।

ভাৰতৰ মহিলা ক্ৰিকেট দলটোৱে ইতিমধ্যে হাংঝৌ এছিয়ান গেমছত স্বৰ্ণ পদক লাভ কৰিছে।

০০০

আই চি চি ক্ৰিকেট বিশ্বকাপত আজি ধৰমশালাত অনুষ্ঠিত এখন খেলত বাংলাদেশে আফগানিস্তানক ৬ উইকেট পৰাস্ত কৰে। ১৫৭ ৰানৰ লক্ষ্যৰে খেলি বাংলাদেশে ৩৪ দশমিক ৪ অভাৰত ৪টা উইকেটৰ বিনিময়ত ১৫৮ ৰান সংগ্ৰহ কৰে। বাংলাদেশৰ হৈ মেহেদি হাছান মিৰাজ আৰু নাজমুল হুছেইন সান্তুৱে অৰ্ধ শতক অৰ্জন কৰে।

দ্বিতীয়খন খেল নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত বৰ্তমান দক্ষিণ আফ্ৰিকা আৰু শ্ৰীলংকাৰ মাজত চলি আছে। দক্ষিণ আফ্ৰিকাই টছত জিকি প্ৰথমে বেটিং কৰি শ্ৰীলংকাক জয়ৰ বাবে ৪২৯ ৰাণৰ লক্ষ্য বান্ধি দিছে।

০০০

সমাপ্ত